**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-11-2025
**Time :** 21-25  Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

গৃহ মন্ত্ৰালয়ে আজি দিল্লীৰ ভয়াৱহ বিস্ফোৰণৰ ঘটনাৰ তদন্তৰ দায়িত্ব এন আই এ-ক অৰ্পন কৰিছে। এই বিস্ফোৰণৰ আঁৰত থকা ষড়যন্ত্ৰকাৰীক কোনো কাৰণতে ৰেহাই দিয়া নহ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সকীয়াই দিয়ে। ভূটানৰ ৰাজধানী থিম্ফুৰ এটা অনুষ্ঠানত ভাষণ দি বিস্ফোৰণত জড়িত প্ৰতিজন দোষীকে কঠোৰ শাস্তি বিহা হ'ব বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে যোৱা নিশাৰে পৰা তেওঁ দিল্লী বিস্ফোৰণৰ ঘটনাৰ তদন্তকাৰী সংস্থাসমূহৰ সৈতে যোগাযোগত আছে।

গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীৰ তেওঁৰ বাসভৱনত এই বোমা বিস্ফোৰণৰ পাছৰ পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যে এখন উচ্চস্তৰীয় বৈঠকত অংশ লয়। কেন্দ্ৰীয় গৃহ সচিব, চোৰাংচোৱা সংস্থাৰ সঞ্চালক, দিল্লীৰ আৰক্ষী আয়ুক্ত আৰু ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ সঞ্চালকপ্ৰধানে এই বৈঠকত অংশগ্ৰহণ কৰে। জম্মু-কাশ্মীৰ আৰক্ষীৰ সঞ্চালক প্ৰধানেও ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত অংশ লয়।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে দিল্লী বিস্ফোৰণত জড়িতসকলক বিচাৰৰ কাঠগড়ালৈ অনা হ'ব আৰু কঠোৰ শাস্তি বিহা হ'ব বুলি ঘোষণা কৰিছে। পাকিস্তানৰ ইছলামাবাদত ন্যায়ালয় ভৱনৰ বাহিৰত এজা সংঘটিত এটা আত্মঘাটি বিস্ফোৰণত কমেও ১২ জন লোক নিহত  হোৱাৰ লগতে ২১ জন আহত হয়।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যত সন্ত্ৰাসবাদ মষিমূৰ কৰাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰে। দিল্লীৰ ভয়াৱহ বিস্ফোৰণৰ ঘটনাক লৈ সামাজিক মাধ্যমত আনন্দ কৰা লোকক প্ৰয়োজন হ'লে গ্ৰেপ্তাৰ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। এইসকল ব্যক্তিৰ তথ্য পৰীক্ষা কৰি গ্ৰেপ্তাৰ কৰিবলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ প্ৰকাশ কৰে। দিল্লীৰ বিস্ফোৰণৰ ঘটনাক লৈ সামাজিক মাধ্যমত বিৰূপ মন্তব্য কৰাৰ অভিযোগত শিলচৰত আজি নজৰুল ইছলাম বৰভূঞা নামৰ এজন অৱসৰপ্ৰাপ্ত শিক্ষকক আটক কৰা হৈছে।

০০০০

ৰাজ্য চৰকাৰে কেতবোৰ চৰ্তসাপেক্ষে ৰাজ্যত পুনৰ লটাৰী অথবা উপহাৰ কুপনৰ খেল অনুষ্ঠিত কৰাৰ বাবে অনুমতি দিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত পূৰ্বৰ এটা নিৰ্দেশনা খাৰিজ কৰি ৰাজ্যত লটাৰী অনুষ্ঠিত কৰা- নকৰা সন্দৰ্ভত বিবেচনা কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিছিল। এই নিৰ্দেশৰ পাছতে আজি ৰাজ্যৰ বিত্ত বিভাগে ৰাস মহোৎসৱ, লক্ষ্মী পুজা, দৌল উৎসৱ আদিত জিলা আয়ুক্তই এই খেলৰ বাবে অনুমতি দিব পাৰিব বুলি নিৰ্দেশ দিছে। অৱশ্যে ইয়াৰ বাবে লটাৰী অনুষ্ঠিত কৰা উদ্যোক্তা সমিতিয়ে লিখিতভাৱে জিলা

আয়ুক্তৰ পৰা অনুমতি লব লাগিব। জিলা আয়ুক্তই ইয়াৰ বাবে যাৱতীয় কৰ সংগ্ৰহৰ নিৰ্দেশ দিব লাগিব আৰু কৰ আদায় নিদিয়া সমিতিক লটাৰী অনুষ্ঠিত কৰাৰ অনুমতি দিব নোৱাৰিব বুলি নিৰ্দেশনাত স্পষ্ট কৰি দিয়া হৈছে।

০০০০

ধৰ্‌তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্যজুৰি উদযাপিত জনজাতীয় গৌৰৱ বৰ্ষ পযেকৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ মুঠ চাৰি হাজাৰ ৬৭৩ টা জনজাতীয় পৰিয়ালক ভূমি স্বত্ব পত্ৰ বিতৰণ কৰে। বড়ো, ৰাভা, কাৰ্বি আৰু গাৰো জনগোষ্ঠীৰ এই লোকসকলক ভূমি স্বত্ব পত্ৰ প্ৰদান কৰি জনজাতীয় লোকক ভূমিৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত এয়া অত্যন্ত গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰে। তেওঁ কয় যে বি টি চি, কাৰ্বি আংলঙকে ধৰি বিভিন্ন স্থানত জনজাতীয় লোকসকলে সম্প্ৰতি ভূমিৰ অধিকাৰ লাভ কৰিছে। অসমৰ বনাঞ্চলসমূহত বসবাস কৰি থকা প্ৰতিগৰাকী জনজাতীয় লোকক ভূমি অধিকাৰ প্ৰদানৰ বাবে ৰাজ্য চৰকাৰ বদ্ধপৰিকৰ বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

এই পযেকৰ সৈতে সংগতি ৰাখি যোৰহাট জিলাৰ ১০ টা আদিসেৱা কেন্দ্ৰত কাইলৈৰ পৰা স্বাস্থ্য আৰু পৰিপুষ্টি শিবিৰৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসন আৰু ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত তিতাবৰস্থিত ঠেঙাল সাংস্কৃতিক কেন্দ্ৰ আৰু সংগ্ৰহালয়ত ১৫ নৱেম্বৰত জনগোষ্ঠীৰ চহকী, সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা প্ৰদৰ্শন কৰা হ'ব।

০০০০

কামৰূপ মহানগৰ জিলাৰ বিশেষ ন্যায়াধীশৰ আদালতে আজি আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰত গ্ৰেপ্তাৰ হোৱা নূপুৰ বৰাৰ জামিন মঞ্জুৰ কৰে। কেতবোৰ চৰ্তসাপেক্ষে আদালতে অভিযুক্ত বৰাৰ জামিন মঞ্জুৰ কৰিছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী তদাৰকী কোষে কিছুদিন পূৰ্বে আয়ৰ সৈতে সামঞ্জস্যবিহীন সম্পত্তি অৰ্জনৰ গোচৰত নূপূৰ বৰাক গ্ৰেপ্তাৰ কৰিছিল। এই গোচৰত তদাৰকী কোষে নূপুৰ বৰাৰ বাসগৃহত অভিযান চলাই এক কোটি ৪৭ লাখ টকা উদ্ধাৰ কৰিছিল।

০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদে আজি কৃষকৰ কল্যানৰ বাবে কাম কৰা এটা ব্যক্তিগত প্ৰতিষ্ঠানৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিৰ ফলত জিলাখনৰ আদা, হালধী, জলকীয়াৰ খেতিয়কসকল উপকৃত হোৱাৰ লগতে আৰ্থিকভাৱে স্বাৱলম্বি হ'ব বুলি আশা কৰা হৈছে। চুক্তি অনুসৰি জিলাখনত খাদ্য প্ৰসংস্কৰণ আৰু পেকেজিং উদ্যোগ স্থাপন কৰা হ'ব। ইয়াৰ ফলত জিলাখনৰ প্ৰায় ১৫ শ লোকে সংস্থাপন লাভ কৰিব।

০০০০

চৰাইদেউ জিলা কৃষি বিভাগৰ উদ্যোগত বৰপথাৰ গাঁৱত সংহত কৃষি পদ্ধতিৰ প্ৰদৰ্শনমূলক ব্যৱস্থাৰ আজি শুভাৰম্ভ কৰা হয়। কৃষকসকলে কৃষি পদ্ধতি অৱলম্বনৰ ক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বান দূৰ কৰাৰ লগতে বিজ্ঞানসন্মতভাৱে সংহত কৃষি পদ্ধতি প্ৰদৰ্শনৰ বাবে এই ব্যৱস্থা লোৱা হৈছে। এই অনুসৰি আজি মীন

বিভাগ, পশুপালন, গাঁও পঞ্চায়ত আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সহযোগত এই প্ৰদৰ্শনীৰ শুভাৰম্ভ কৰা হয়। জিলাখনৰ আয়ুক্ত ডাঃ নেহা যাদৱে উদ্যানশস্যৰ পুলি ৰোপণ কৰি এই কাৰ্যৰ শুভাৰম্ভ কৰে।

**০০০০**

**ঃঃ সমাপ্ত ঃঃ**